**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-07-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***
**-------------**

১। ২০২৪-২৫ বৰ্ষৰ বাজেটে ভাৰতক বিশ্বৰ ভিতৰতে তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰা বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৰ প্ৰকাশ।

২। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ মিজোৰামৰ আই আই এম চিত ৫০০ সংখ্যক সামূহিক অনাতাঁৰ কেন্দ্ৰৰ শুভাৰম্ভ।

৩। অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষা কাইলৈ আৰম্ভ।

৪। ৰাজ্যৰ বান আৰু খহনীয়া সমস্যা প্ৰতিৰোধৰ বাবে অনুমোদিত কামসমূহ নিৰ্ধাৰিত সময়ত প্ৰযুক্তিৰ সহায়ত সম্পূৰ্ণ কৰিবলৈ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাৰ নিৰ্দেশ।

**আৰু**

৫। পেৰিছ অলিম্পিকৰ উদ্বোধনী অনুষ্ঠানৰ এদিন পূৰ্বে ভাৰতৰ মহিলাৰ আৰ্চাৰী দলৰ সুন্দৰ প্ৰদৰ্শনেৰে অভিযান আৰম্ভ। কোৱাৰ্টাৰ ফাইনেলত দলটোৰ স্থান নিশ্চিত।

oooooooo

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি দেশৰ জনাদেশক অৱমাননা কৰা বুলি বিৰোধী পক্ষক সমালোচনা কৰে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী ৰিজিজুৱে কয় যে, দেশৰ জনসাধাৰণে সংসদত বাজেট সন্দৰ্ভত ইতিবাচক আৰু অৰ্থবহ আলোচনা হোৱাটো বিচাৰে। তেওঁ লগতে কয় যে, একাংশ দলৰ নেতাৰ ব্যক্তব্যই সদনৰ মৰ্যাদা হানি কৰিছে। তেওঁ বিৰোধী পক্ষক জনাদেশক সন্মান জনাবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বক্তব্যৰ উদ্ধৃতি দি শ্ৰী ৰিজিজুৱে কয় যে, নিৰ্বাচন সম্পন্ন হৈছে আৰু এতিয়া সকলোৱে বিকশিত ভাৰতৰ হকে কাম কৰাৰ লগতে কেন্দ্ৰীয় বাজেট সম্পৰ্কত গঠনমূলক আলোচনা কৰা উচিত। বিৰোধী নেতাসকলে বাজেট সম্পৰ্কে উল্লেখযোগ্য কোনো কথা কোৱাৰ বিপৰীতে কেৱল ৰাজনীতি কৰিছে আৰু প্ৰধানমন্ত্ৰীক অৱমাননা কৰিছে বুলি তেওঁ মন্তব্য কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজনৈতিক দলৰ নেতাসকলে সদস্যসকলক সংসদৰ মজিয়াত হুলস্থূল নকৰি যুক্তিসংগত বিতৰ্কত ভাগ ল’বলৈ আহ্বান জনোৱা উচিত। তেওঁ কয় যে এই বাজেটে ভাৰতক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰাৰ লগতে আন্তঃগাঁথনিৰ বাবে পুঁজি আৱণ্টন, সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ বাবে সুবিধা, মহিলাৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ উপৰি নিয়োগ সৃষ্টি আৰু কৃষকৰ বাবে সুবিধা সৃষ্টি কৰিছে। শ্ৰী ৰিজিজুৱে কয় যে যদি বিৰোধীয়ে এই কথা নুবুজে তেন্তে জনসাধাৰণে তেওঁলোকক শাস্তি বিহিব। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জনসাধাৰণৰ বাবে তৃতীয়বাৰলৈ

ক্ষমতাত অধিষ্ঠিত হৈছে কিন্তু বিৰোধীয়ে এই সন্দৰ্ভত ব্যাখ্যা সলনি কৰিবলৈ চেষ্টা কৰিছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে বাজেট অধিৱেশনত বাজেট সম্পৰ্কেহে আলোচনা হোৱা উচিত। খেতিয়ক আৰু জনজাতীয় লোকসকলৰ বাবে বাজেটত আগবঢ়োৱা সুবিধাসমূহৰ বিষয়ে আলোচনা নকৰি বিৰোধী পক্ষই কিয় ফালৰি কাটিছে বুলি তেওঁ প্ৰশ্ন উত্থাপন কৰে।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ এক্ট ইষ্ট নীতিৰ অধীনৰ উল্লেখযোগ্য পদক্ষেপৰ অংশ হিচাপে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি মিজোৰামৰ আইজলত থকা ভাৰতীয় গণ সংযোগ প্ৰতিষ্ঠান অৰ্থাৎ আই আই এম চিত ৫০০ সংখ্যক সামূহিক অনাতাঁৰ কেন্দ্ৰৰ শুভাৰম্ভ কৰে। তেওঁ লগতে এই অনুষ্ঠানতে দশম ৰাষ্ট্ৰীয় সামূহিক অনাতাঁৰ বঁটাও ঘোষণা কৰে। অপনা ৰেডিঅ' ৯০.০ এফ এম শীৰ্ষক এই অনাতাঁৰ কেন্দ্ৰৰ শুভাৰম্ভ অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী বি এল মুৰুগান আৰু মিজোৰামৰ মুখ্যমন্ত্ৰী লালডুহোমা উপস্থিত থাকে। অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতৰ সামূহিক অনাতাঁৰ সেৱাৰ ক্ষেত্ৰত মাইলৰ খুঁটিসদৃশ এই পদক্ষেপে অনাতাঁৰ সেৱাই সামৰি ল'বলগীয়া অঞ্চলসমূহৰ জনসাধাৰণৰ জীৱনত ইতিবাচক পৰিৱৰ্তন সাধন কৰিব। মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত লগতে সংসদত উত্থাপন হোৱা ২০২৪-২৫ বৰ্ষৰ বাজেটে উত্তৰ পূৰ্বাঞ্চলৰ ৰে'লৱে খণ্ডৰ বাবে অভিলেখ পৰিমাণৰ আবণ্টন দিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে ইয়াৰ ফলত মিজোৰামত উন্নত ৰেল যোগাযোগৰ বাবে বহু প্ৰত্যাশিত সপোন বাস্তৱায়িত হ'ব। অনুষ্ঠানত দিয়া ভাষণত তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীমুৰুগানে কয় যে ব্যক্তিগত ৰেডিঅ' ষ্টেছনসমূহৰ বাণিজ্যিক উদ্দেশ্যৰ বিপৰীতে সামূহিক অনাতাঁৰ কেন্দ্ৰই সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে অনুষ্ঠান প্ৰচাৰ কৰে।

০০০০০০০

অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষা কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। ২৩৫টা পদৰ বাবে হ'বলগীয়া এই মূল পৰীক্ষাত দুহেজাৰ ৮২১গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফলৰ অন্তত দুহেজাৰ ৮৯৮গৰাকীয়ে মূল পৰীক্ষালৈ যোগ্যতা অৰ্জন কৰিছিল যদিও ইয়াৰ ভিতৰত দুহেজাৰ ৮২১গৰাকী প্ৰাৰ্থীয়েহে মূল পৰীক্ষাৰ বাবে আবেদন জনায়। এই পৰীক্ষা হ'বলগীয়া ২৩৫টা পদৰ ভিতৰত অসম অসামৰিক সেৱাৰ ৪৫টা, অসম আৰক্ষী সেৱাৰ ৩৫টা আৰু অসম বিত্ত সেৱাৰ ১৩টা পদ আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া সকলো পৰিক্ষাৰ্থীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰৰ নিৰ্দেশনা অনুসৰি এই পৰীক্ষাত প্ৰথমবাৰৰ বাবে প্ৰতিটো প্ৰশ্ন ইংৰাজীৰ উপৰি অসমীয়া ভাষাতো থাকিব। মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বাবে লোকসেৱা আয়োগক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

বিজেপিৰ ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদকসকলৰ দুদিনীয়া গুৰুত্বপূৰ্ণ বৈঠক আজিৰে পৰা নতুন দিল্লীত অনুষ্ঠিত হৈছে। এই বৈঠকত দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষ উপস্থিত থাকিব। এই বৈঠকত লোকসভা নিৰ্বাচনৰ ফলাফল পুনৰীক্ষণ কৰাৰ লগতে ৰাজ্যসমূহত হ'বলগীয়া বিধানসভা নিৰ্বাচন সন্দৰ্ভত আলোচনাৰ সম্ভাৱনা আছে। তদুপৰি সংগঠনৰ পৰৱৰ্তী কাৰ্যসূচীৰ বিষয়েও

বৈঠকত আলোচনা কৰা হ'ব। ইয়াৰ পাছতে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে কৌশল প্ৰস্তুত কৰা হ'ব। এই বৈঠকৰ পাছত শনিবাৰ আৰু দেওবাৰে বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু দলৰ ৰাজ্যিক সভাপতিৰ বৈঠক অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই কয় যে, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ জৰিয়তে প্ৰতিগৰাকী নাগৰিকক আত্মনিৰ্ভৰ কৰি তোলাই হৈছে চৰকাৰৰ লক্ষ্য। আজি দিনজোৰা কাৰ্যসূচীৰে বৰপেটা ভ্ৰমণ কৰা ৰাজ্যপাল শ্ৰীকাটাৰীয়াই সংবাদ মাধ্যমৰ ওচৰত এই মন্তব্য কৰে। তেওঁ কয় যে, প্ৰতিগৰাকী লোকে যাতে নিজৰ ভৰিত নিজে থিয় হৈ সমাজখনক প্ৰগতিৰ দিশত ক্ষীপ্ৰগতিত আগুৱাই নিব পাৰে সেই লক্ষ্যৰে চৰকাৰে কাম কৰিছে। এই প্ৰসংগতে বৰপেটা জিলাই সকলো ক্ষেত্ৰতে সন্তোষজনক প্ৰগতি লাভ কৰা বুলি শ্ৰীকাটাৰীয়াই কয়। উল্লেখযোগ্য যে ৰাজ্যপালগৰাকীয়ে জিলাখনৰ সকলো বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠকত উপস্থিত থাকে। পাছত তেওঁ বৰপেটা সত্ৰ পৰিদৰ্শন কৰি সত্ৰখনৰ অভাৱ-অভিযোগৰ বুজ লয়।

০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে  ৰাজ্যৰ বিভিন্ন জিলাত  স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি বিভাগীয় শীৰ্ষ বিষয়াসকলৰ এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি ৰাজ্যখনৰ বান আৰু খহনীয়া সমস্যা প্ৰতিৰোধৰ লক্ষ্যৰে অনুমোদিত কামসমূহ নিৰ্ধাৰিত সময়ত প্ৰযুক্তিৰ সহায়ত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে অভিনৱ কৌশল তথা প্ৰযুক্তিৰ সহায়ত কামসমূহ পূৰ্বতকৈ কিদৰে উন্নত কৰিব পাৰি এই বিষয়ে আলোচনা কৰে। তদুপৰি বৰ্তমানেও ৰূপায়িত হৈ থকা কাম-কাজসমূহ নিয়াৰিকৈ সম্পন্ন কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে।

ইপিনে ৰাজ্যৰ বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি মৰিগাঁও জিলাত বান পৰিস্থিতি পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনত বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লৈ বিভিন্ন বিভাগক তৎপৰতাৰে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

তিনিচুকীয়া জিলাত অহা ১ আগষ্টত হ'বলগীয়া অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায় সফল কৰি তুলিবলৈ জিলা প্ৰশাসন তৎপৰ হৈ উঠিছে। আজি জিলাখনৰ আয়ুক্ত স্বপ্নীল পালে ডুমডুমা বন সংমণ্ডলৰ অন্তৰ্গত খাটাংপানী, পেঙেৰিত থকা বন বিভাগৰ নাৰ্চাৰী পৰিদৰ্শন কৰি এই কামৰ অগ্ৰগতিৰ বুজ লয়। উল্লেখযোগ্য যে এইবাৰ জিলাখনত বৃহৎ সংখ্যক গছপুলি ৰোপণৰ বাবে জিলা প্ৰশাসন সাজু হৈছে।

০০০০০০০

বঙাইগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত তথা পঞ্চপুৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত আজি আটুগাঁও এম ভি স্কুল প্ৰাঙ্গনত বিশেষ স্বাস্থ্য মেলা আৰু সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত মেলেৰিয়া, জাপানীজ এনচেফেলাইটিছ, ডায়েৰিয়া আদি ৰোগ প্ৰতিৰোধৰ বাবে ব্যাপক সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানত অংশ লৈ স্বাস্থ্য বিষয়াসকলে জনসাধাৰণক সাৱধানতা অৱলম্বন কৰি ৰোগৰ পৰা হাত সাৰি থাকিবলৈ আহ্বান জনায়। স্বাস্থ্য মেলাত ৰোগীসকলক পৰীক্ষা কৰি বিনামূলীয়া ঔষধ প্ৰদান কৰা হয়।

০০০০০০০০০

অভয়াপুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই সাংস্কৃতিক বিভাগৰ উদ্যোগত ছদিনীয়াকৈ অনুষ্ঠিত নাট কৰ্মশালাৰ আজি সামৰণি পৰে। যোৱা ২০ জুলাইত আৰম্ভ হোৱা এই কৰ্মশালাত সংগীত নাটক একাডেমীৰ বিছমিল্লাহ খাঁ বঁটা বিজয়ী অভিনেতা ড০ কুলদ্বীপ পাটগিৰি আৰু নাট্যশিল্পী মনজিত কাকতিয়ে প্ৰশিক্ষক হিচাপে অংশ লয়। আজিৰ সামৰণি অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট নাট্যশিল্পীয়ে অংশগ্ৰহণ কৰে। প্ৰশিক্ষাৰ্থীসকলে আজি এখন ব্যাংগ নাট আৰু মুকাভিনয় প্ৰদৰ্শন কৰে।

ইপিনে, ধুবুৰী জিলাত অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত অনুষ্ঠিত বিধানসভা সমষ্টি ভিত্তিক বিহু নাচ আৰু ঢোল বাদনৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ আজি সামৰণি পৰে। সামৰণি অনুষ্ঠানত অসম চৰকাৰৰ বিপণন বিভাগৰ অধ্যক্ষ অশোক কুমাৰ সিংহিকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই আজি দিনজোৱা কাৰ্যসূচীৰে স্বাস্থ্যকৰ্মীকে ধৰি বিভিন্ন পৰ্যায়ৰ ক্ষেত্ৰভিত্তিক চৰকাৰী কৰ্মীসকলক লৈ এখন কৰ্মশালা অনুষ্ঠিত কৰে। এই কৰ্মশালাত বানপানীৰ সময়ত চৰকাৰীভাৱে স্থাপন কৰা শিবিৰত প্ৰসূতি মাতৃ, গৰ্ভৱতী আৰু শিশুসকলক কিদৰে সুৰক্ষিত কৰিব লাগে সেই সম্পৰ্কে প্ৰশিক্ষণ দিয়ে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন অঞ্চলত বানৰ পাছত খহনীয়াৰ সমস্যাই দেখা দিছে। ওদালগুৰি জিলাৰ তুলসী নৈৰ খহনীয়াই বোক্ৰাঝাৰ অঞ্চলৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান, ধৰ্মীয় অনুষ্ঠানৰ লগতে এটা পথৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। প্ৰতি বছৰে অঞ্চলটোৰ বিস্তীৰ্ণ কৃষিভূমি নৈত জাহ যোৱাৰ ফলত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে। স্থানীয় ৰাইজে এই সমস্যা সমাধানৰ বাবে চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০০০

ধুবুৰী জিলাত জাপানীজ এনচেফেলাইটিছ ৰোগৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি জিলা স্বাস্থ্য বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ধুবুৰী জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক কাৰ্যালয়ৰ মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়াগৰাকীয়ে জানিবলৈ দিয়া মতে জিলাখনত এইপৰ্যন্ত ৫৪ গৰাকী লোক জাপানীজ এনচেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে। জিলাখনৰ গোলকগঞ্জত এজন, ৰাণীগঞ্জ স্বাস্থ্যখণ্ডত তিনিজন আৰু চাপৰত এজন জাপানীজ এনচেফেলাইটিছ ৰোগীক চিনাক্ত কৰা হৈছে।

০০০০০০০০

কাইলৈ কাৰ্গিল যুদ্ধত বিজয়ৰ ৰূপালী জয়ন্তী উপলক্ষে দেশজুৰি শ্বহীদৰ স্মৃতিত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি দৰং জিলাৰ প্ৰশাসনৰ উদ্যোগত তথা সেনাবাহিনী ২৮১ নম্বৰ ফিল্ড ৰেজিমেণ্টৰ সহযোগত মঙলদৈত এই উপলক্ষে স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত বিধায়ক বসন্ত দাস, জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, ২৮১ নম্বৰ ফিল্ড ৰেজিমেণ্টৰ অধিনায়ক কৰ্ণেল অ'ৰ্ক সেনকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

পেৰিছ অলিম্পিকৰ উদ্বোধনী অনুষ্ঠানৰ এদিন পূৰ্বে ভাৰতৰ মহিলাৰ আৰ্চাৰী দলে আজি সুন্দৰ প্ৰদৰ্শনেৰে অভিযান আৰম্ভ কৰিছে। দলটোৱে ৰেংকিং ৰাউণ্ডত চতুৰ্থ স্থান দখল কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। কোৱাৰ্টাৰ ফাইনেলত ভাৰত আয়োজক দেশ ফ্ৰান্স আৰু নেডাৰলেণ্ডছৰ মাজৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ বিজয়ী দলটোৰ বিপক্ষে অৱতীৰ্ণ হ'ব। পুৰুষৰ ব্যক্তিগত শিতানত ধীৰাজ বোম্মাদেৱৰা, তৰুণদীপ ৰায় আৰু প্ৰবীণ যাদৱে দেশক প্ৰতিনিধিত্ব কৰিব। ভাৰতীয় সময় অনুসৰি কাইলৈ নিশা ১১ বজাত উদ্বোধনী অনুষ্ঠান আৰম্ভ হ'ব। এইবাৰ ভাৰতীয় দলটোৰ ছেফ দ্য মিছন হিচাপে তাৰকা শ্বুটাৰ গগন নাৰঙক দায়িত্ব অৰ্পণ কৰা হৈছে। আনহাতে, বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু টেবুল টেনিছ শৰথ কমলে ভাৰতীয় দলৰ পতাকা বহন কৰিব। তদুপৰি ৩০গৰাকী সদস্যযুক্ত ভাৰতৰ এথলেটিক দলটোক জেভলিন তাৰকা নীৰজ চোপ্ৰাই নেতৃত্ব দিব। এইবাৰ অলিম্পিকলৈ ভাৰতে ১১৭জনীয়া খেলুৱৈৰ দল প্ৰেৰণ কৰিছে। ১১ আগষ্টলৈকে চলিবলগীয়া এই অলিম্পিকত ১৯৬খন ৰাষ্ট্ৰৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। এইবাৰ প্ৰথমবাৰৰ বাবে ব্ৰেক ডেন্সিংক অলিম্পিকত খেল হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

গুৱাহাটীৰ আৰ জি বৰুৱা ৰোডত থকা শিক্ষাভৱনত গুৱাহাটী চিটী ডবা সন্থাৰ উদ্যোগত অনুষ্ঠিত ৭ বছৰ অনূৰ্ধ, ১১ বছৰ আৰু ১৫ অনূৰ্ধ শাখাৰ বাবে ডবা প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। ৭ বছৰ তলৰ ল'ৰাৰ শাখাত আদ্বিক বণিকে চেম্পিয়নৰ খিতাপ লাভ কৰে। আনহাতে জিছান কাশ্যপে টাইব্ৰেক স্কৰৰ ভিত্তিত দ্বিতীয় স্থান আৰু ৰেবংশ শৰ্মাই তৃতীয় স্থান লাভ কৰে। ছোৱালী শাখাত আদ্বিকা গিৰি চেম্পিয়ন হৈছে। এই শাখাত দৰথী পাটগিৰিয়ে দ্বিতীয় আৰু নিষ্ঠা অংকিতাই তৃতীয় স্থান লাভ কৰে। ১১ বছৰ অনূৰ্ধৰ ল'ৰাৰ শাখাত হৰ্ষদীপ ডেকা আৰু ছোৱালীৰ শাখাত ঋতিশা মাইৰা ৰাজবংশীয়ে প্ৰথম স্থান লাভ কৰিছে। ১৫ বছৰ অনূৰ্ধৰ মুকলি শাখাত হৃদিকা দাসে চেম্পিয়ন হয়।

০০০০০০০০

গুৱাহাটী কুমাৰপাৰা নিবাসী তেতিয়াৰ কটন কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড০ দিলীপ শৰ্মাৰ আজি মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৯ বছৰ। অসম বিজ্ঞান সমিতি, ছাত্ৰ বিজ্ঞান সমিতি আদি বিভিন্ন বিজ্ঞান সংগঠনৰ লগত জড়িত থকা ড০ শৰ্মাই বিজ্ঞানচৰ্চাত জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াইছিল।

০০০০০০০০

**সমাপ্ত**